**জনসংযোগ, কামৰূপ মহানগৰ** **প্ৰেছ বাৰ্তা নং ১৩৪/২০২১**

**জনসিঞ্চনৰ জিলাভিত্তিক ভিজিলেঞ্চ সমিতিৰ সভা**

গুৱাহাটী, ৩০ জুলাই : জলসিঞ্চন বিভাগত চলি থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম অধিক ক্ষীপ্ৰ তথা নিখুঁত কৰাৰ উদ্দেশ্যে চৰকাৰৰ নিৰ্দেশমতে জিলাভিত্তিত গঠন কৰা ভি জিলেঞ্চ পৰীক্ষণ সমিতিৰ কামৰূপ মহানগৰ জিলাৰ প্ৰথমখন সভা শুক্ৰবাৰে বিধায়ক অতুল বৰাৰ উপস্থিতিত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। জিলা উন্নয়ন আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ উপৰি কৃষি , বিদ্যুৎ আদি কেবাটাও বিভাগৰ বিষয়া -বৰ্গ উপস্থিত থকা এই সভাত সভাপতিত্ব কৰি জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে বিভাগটোত চলি থকা আঁচনিসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। সভাত অভিযন্তাসকলে আঁচনিসমূহ ক্ষীপ্ৰভাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰত প্ৰতিবন্ধক হিচাপে দেখা দিয়া বিভিন্ন অভাৱ-অভিযোগসমূহ বিধায়কৰ লগতে উপায়ুক্তগৰাকীক অৱগত কৰে। সভাত বক্তব্য ৰাখি বিধায়ক অতুল বৰাই কয় যে , জিলা উপায়ুক্ত, জিলা উন্নয়ন আয়ুক্তৰ সৈতে তেওঁ অতি সোনকালে পশ্চিম উলুৱনী, সোণাপুৰ দমৰা পথাৰ, মালৈবাৰী আদিৰ বিভিন্ন খেতি-পথাৰসমূহ পৰিদৰ্শণ কৰিব আৰু জলসিঞ্চনৰ ক্ষেত্ৰত জনসাধাৰণে সন্মুখীন হোৱা বিভিন্ন সমস্যাস মূহ প্ৰত্যক্ষ কৰিব আৰু ইয়াৰ পিছতে জিলাভিত্তিক 'ভিজিলেঞ্চ মনিটৰিং সমিতি'ৰ পৰৱৰ্তী সভাত বিভাগীয় বিষয় -বৰ্গৰ সৈতে মিলিত হ 'ব। পৰৱৰ্তী সভা অনুষ্ঠিত কৰাৰ আগতে তেওঁ জলসিঞ্চন বিভাগৰ অভিযন্তাসকলক বিভিন্ন আঁচনিসমূহৰ অধিক লোক উপকৃত হোৱা, কম সংখ্যক লোক উপকৃত হোৱা আৰু বন্ধ কৰি দিব পৰা – এই তিনিটা ভাগত বিভক্ত কৰি প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ অনুৰোধ জনায়।